# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 08-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বিশ্ববিদ্যালয়খনে ২০২৫ চনৰ নতুন অসমৰ বিকাশ আৰু বিৱৰ্তনৰ ৰূপকথাক প্ৰতিনিধিত্ব কৰিব। ৰূপকোঁৱৰে অসমীয়া চলচ্চিত্ৰ জগতৰ উন্মেষ ঘটোৱা পবিত্ৰ ভূমিত আধাৰশিলা স্থাপন কৰা এই বিশ্ববিদ্যালয়ে ঐতিহ্য, আধুনিকতা আৰু প্ৰতিশ্ৰুতিপূৰ্ণ ভৱিষ্যতৰ ইংগিত বহন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**বাইট (মুখ্যমন্ত্ৰী)**

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই উত্তৰ-পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটীৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত আঞ্চলিক বাতৰি বিভাগৰ কেইবাগৰাকী প্ৰাক্তন বাতৰি পৰিবেশকে নিজৰ মনৰ ভাব আৰু অভিজ্ঞতা ব্যক্ত কৰে। অনুষ্ঠানত অংশ লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ সহকাৰী অধ্যাপক ড০ ভাৰতী ভড়ালীয়ে বাতৰি বিভাগৰ সৈতে জড়িত হোৱাৰ মধুৰ অভিজ্ঞতাৰ কথা সোঁৱৰণ কৰে। তেওঁ লগতে সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে তাল মিলাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিজৰ গৰিমা অক্ষুন্ন ৰাখিছে বুলি মন্তব্য কৰে। অনুষ্ঠানত প্ৰাক্তন বাতৰি পৰিবেশক তথা জ্যেষ্ঠ পশু চিকিৎসা বিষয়া ডাঃ অবনি কুমাৰ চৌধুৰীয়ে আকাশবাণীত কাম কৰি কিদৰে সাৱলীলভাৱে বাতৰি লিখা আৰু উচ্ছাৰণৰ কৌশল আয়ত্ত কৰিলে সেই বিষয়ে জানিবলৈ দিয়ে। একেদৰে আন এগৰাকী প্ৰাক্তন বাতৰি পৰিবেশক তথা অসম চৰকাৰৰ জনসংযোগ বিভাগৰ জ্যেষ্ঠ তথ্য বিষয়া পম্পী দেৱীয়ে আঞ্চলিক বাতৰি বিভাগক শিকণৰ ভেটি বুলি উল্লেখ কৰাৰ লগতে বাতৰি বিভাগত কাম কৰা সময়ছোৱাৰ বিভিন্ন অভিজ্ঞতা সোঁৱৰণ কৰে। প্ৰাক্তন বাতৰি পৰিবেশক কাবেৰী বৰা মজুমদাৰে অনুষ্ঠানটোত বাতৰি বিভাগত দলীয় মানসিকতাৰে কাম কৰাৰ ফলত ভৱিষ্যত জীৱনৰ বাবে পাথেয় হৈ উঠে বুলি উল্লেখ কৰে। একেদৰে আন এগৰাকী প্ৰাক্তন বাতৰি পৰিবেশক ইলোৰা গোস্বামীয়ে বাতৰি বিভাগত লাভ কৰা অনুশাসনৰ শিক্ষা আৰু বাতৰিৰ প্ৰতি থকা অসীম আগ্ৰহ আৰু বিভাগটোৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰে। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

ইণ্ডোনেছিয়াৰ সাধাৰণ নিৰ্বাচন আয়োগৰ এটা ৪ জনীয়া প্ৰতিনিধি দলে আজি কামৰূপ জিলাৰ ভাৰতীয় নিৰ্বাচনী প্ৰক্ৰিয়াৰ বুজ লয়। নিৰ্বাচন ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত সৰ্বোত্তম মত বিনিময় আৰু গণতান্ত্ৰিক সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে দলটোৱে এই ভ্ৰমণ কৰিছে। প্ৰতিনিধি দলটোৱে প্ৰথমে আমিনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰ পৰিদৰ্শন কৰি ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বিভিন্ন ব্যৱস্থা সম্পৰ্কে অৱগত হয়। ইয়াৰ পাছত আমিনগাঁৱৰ লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাত তেওঁলোকে ৰাজ্যৰ অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়াকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়াৰ সৈতে বৈঠকত মিলিত হয়।

০০০০

অসম চৰকাৰৰ গ্ৰন্থবৰ্ষৰ সৈতে সংগতি ৰাখি লখিমপুৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি অষ্টম দিনাও বহু গ্ৰন্থপ্ৰেমীৰ সমাগম হয়। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ ক্ৰীড়া চৌহদত ১০ দিনীয়াকৈ এই গ্ৰন্থমেলাৰ আয়োজন কৰিছে। আজি গ্ৰন্থমেলাথলীত আয়োজিত কবি সন্মিলন সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত বিশিষ্ট কবি জ্ঞান পুজাৰীয়ে উদ্বোধন কৰে। কবি সন্মিলনখন সঞ্চালনা কৰে লখিমপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক, কবি, লেখক ড০ ৰাতুল কুমাৰ লাহনে। এই অনুষ্ঠানত কেইবাগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ পাছতে অনুষ্ঠিত সাংস্কৃতিক প্ৰতিযোগিতাত ৪ খন শিক্ষানুষ্ঠানে অংশগ্ৰহণ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**